REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

Date : 17-11-2026
Time : 1715 Hrs

ASSAMESE EVEN BULLETIN

::

HEADLINES

::::::::::::::::::

oooooooo

১। কার্বি আংলঙত আজি ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগৰ ৭০২ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ বিতৰণ কাৰ্যসূচী।

২। অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত শিক্ষা বিভাগৰ কৰ্মশালা আৰু পৰ্যালোচনা বৈঠকত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ অংশগ্ৰহণ।

৩। শ্ৰীভূমি জিলাৰ দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ জয়শ্ৰী চক্ৰৱৰ্তীৰ ছিংগাপুৰত মহিলা সৱলীকৰণ বঁটা লাভ।

আৰু

৪। মন্ত্ৰী বিশ্বজিৎ দৈমাৰীৰ অসম দক্ষতা বিশ্ববিদ্যালয়ৰ চিটী কেম্পাছ্ পৰিদৰ্শন।

oooooooo

ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে আজি কার্বি আংলং জিলাৰ ডিফুৰ সমীপৰ তাৰালাংছু'ত ৭০২ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। কার্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ অন্তৰ্গত বিভিন্ন পদত এই প্ৰাৰ্থীসকলক নিযুক্তি দিয়া হ'ব। বিয়লি ৪ বজাত হ'বলগীয়া এই নিযুক্তিপত্ৰ প্ৰদান অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। কার্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তথা ৰংখাং বিধানসভা সমষ্টিৰ বিধায়ক ড০ তুলিৰাম ৰংহাঙো এই অনুষ্ঠানত উপস্থিত থাকিব।

ৰাজ্য চৰকাৰৰ লোক নিৰ্মাণ বিভাগৰ উদ্যোগত কার্বি আংলঙৰ লাংভকুত আজি সৈনিক বিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰা হ'ব। শিক্ষাৰ উৎকৰ্ষতাৰ দিশত নতুন দিগন্তৰ সূচনাৰে হ'বলগীয়া এই আধাৰশিলা স্থাপন অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই অনুষ্ঠানত কার্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য, ডিফু লোকসভা সমষ্টিৰ সাংসদ, অসম বিধানসভাৰ উপাধ্যক্ষ, বোকাজান, ডিফু, হাওৰাঘাট বিধানসভা সমষ্টিৰ বিধায়কসকল আৰু শিক্ষা বিভাগৰ কাৰ্যবাহী সদস্য ৰিচার্ড টকবি এই অনুষ্ঠানত উপস্থিত থাকিব। এই সৈনিক বিদ্যালয়ত প্ৰশাসনিক তথা শৈক্ষিক ভৱন, প্ৰেক্ষাগৃহ, পুথিভঁৰাল, কেডেট মেচ, বহুমুখী প্ৰেক্ষাগৃহ, আভ্যন্তৰীণ ক্ৰীড়া প্ৰকল্প আদিৰ লগতে সকলো ধৰণৰ ক্ৰীড়াৰ সুবিধাৰ বাবে খেলপথাৰ আৰু ক'র্ট স্থাপন কৰা হ'ব। প্ৰায় ৩৩৫ কোটি টকা ব্যয় সাপেক্ষে এই বিদ্যালয় নিৰ্মাণ কৰি উলিওৱা হ'ব।

০০০০০০০

শিক্ষা মন্ত্রী ডাঃ ৰণোজ পেগুৱে খানাপাৰাৰ অসম প্রশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত শিক্ষা বিভাগৰ কর্মশালা আৰু পর্য্যালোচনা বৈঠকত অংশগ্রহণ কৰে। প্রথমৰ পৰা দ্বাদশ শ্রেণীলৈ শিক্ষাৰ মান উন্নত কৰাৰ লক্ষ্যৰে এই কর্মশালা অনুষ্ঠিত হৈছে। সমগ্র শিক্ষা অসমৰ অধীনত ৰাজ্যৰ শিক্ষা ব্যৱস্থাৰ গুণগত মান উন্নীত কৰাৰ বাবে এই পর্য্যালোচনা বৈঠক অনুষ্ঠিত হৈছে বুলি শিক্ষা মন্ত্রীগৰাকীয়ে সাংবাদিকৰ আগত প্রকাশ কৰে।

-বাইট(পেগু)-

০০০০০০০

দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্রী বিশ্বজিৎ দৈমাৰীয়ে আজি গুৱাহাটীৰ বিৰুবাৰীস্থিত অসম দক্ষতা বিশ্ববিদ্যালয়ৰ চিটী কেম্পাছ পৰিদর্শন কৰে। এই পৰিদর্শনকালত মন্ত্রীগৰাকীয়ে জাপানী শিক্ষক বিকাশ কার্যসূচীৰ অধীনত প্রশিক্ষণ গ্রহণ কৰি থকা শিক্ষার্থীসকলৰ সৈত মত বিনিময় কৰে। অসম দক্ষতা বিশ্ববিদ্যালয়ে জাপান ফাউণ্ডেচন আৰু ইণ্ডো-জাপান বিজনেছ কাউন্সিলৰ সহযোগত ৰূপায়ণ কৰা এই ৮ মহীয়া কার্যসূচীৰ মূল লক্ষ্য হৈছে। উত্তৰ-পূর্বাঞ্চলৰ শিক্ষানুষ্ঠানসমূহত জাপানী ভাষা আৰু সংস্কৃতিৰ শিক্ষাৰ প্রসাৰ ঘটোৱা। ইয়াৰ পাছত মন্ত্রীগৰাকীয়ে আই টি আইৰ চৌহদত নির্মীয়মান নর্থ-ইষ্ট স্কিল চেণ্টাৰৰ ভৱনটো পৰিদর্শন কৰি নির্মাণকার্যৰ অগ্রগতিৰ বুজ লয়। পৰিদর্শনকালত মন্ত্রীগৰাকীয়ে আই টি আই গুৱাহাটীৰ সামগ্রিক কার্য পদ্ধতি, বিভিন্ন কাৰিকৰী পাঠ্যক্রম আৰু প্রশিক্ষণৰ সুবিধাসমূহ পর্যালোচনা কৰে। প্রতিষ্ঠানটোৰ শৈক্ষিক কার্যকলাপৰ বিষয়েও বিষয়াসকলৰ সৈতে মত বিনিময় কৰি ৰাজ্যৰ যুৱ প্রজন্মৰ নিয়োগ যোগ্যতা বৃদ্ধিৰ লক্ষ্যৰে বৃত্তিমুখী প্রশিক্ষণৰ আন্তঃগাঁথনি অধিক শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰে।

০০০০০০০

প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে ভাৰত আৰু দক্ষিণ পূব এছিয় ৰাষ্ট্রসমূহৰ মাজত বর্ধিত সহযোগিতাৰ জৰিয়তে ভাৰত-প্রশান্ত মহাসাগৰীয় অঞ্চলত শান্তি, সুস্থিৰতা আৰু সমৃদ্ধিৰ বাবে আহ্বান জনাইছে। ফিলিপাইনছৰ মানিলাত অনুষ্ঠিত ত্রয়োবিংশ আছিয়ান ভাৰত শীর্ষ সম্মিলনত অংশ লৈ দিয়া ভাষণত প্রধানমন্ত্রীয়ে এই কথা উল্লেখ কৰে। তেওঁ ফিলিপাইন্ছৰ ৰাষ্ট্রপতি মার্ক'ছ জুনিয়ৰক এই সম্মিলনৰ অধ্যক্ষতাৰ বাবে অভিনন্দন জ্ঞাপন কৰে। তেওঁ কয়, যে আছিয়ান ৰাষ্ট্রসমূহৰ প্রতিনিধিৰ সৈতে এয়া তেওঁৰ ত্রয়োদশ ভাৰ বিনিময়। ভাৰতৰ এক্ট-ইষ্ট নীতিয়ে ভাৰত আৰু আছিয়ান ৰাষ্ট্রসমূহৰ সম্পর্কক বিগত কেইবছৰমানত নতুন গতি আৰু ব্যাপ্তি দিছে বুলি তেওঁ মত প্রকাশ কৰে। দ্বিপাক্ষিক সম্পর্ক সম্প্রসাৰণৰ বিষয়ে উল্লেখ কৰি শ্রী মোদীয়ে কয়, যে উমৈহতীয়া সাংস্কৃতিক আৰু ঐতিহ্যৰ বিনিময়ৰ জৰিয়তে অংশীদাৰিত্ব গঢ় লৈ উঠে আৰু সম্প্রতি ডিজিটেল প্রযুক্তি, প্রতিৰক্ষা আৰু মহাকাশ ক্ষেত্রত সহযোগিতাৰ দ্বাৰা ই অধিক শক্তিশালী হৈছে। ২০১৪ চনৰ পৰা ভাৰত আৰু আছিয়ান ৰাষ্ট্র গোষ্ঠীয়ে জনসাধাৰণৰ মাজত বান্ধোন শক্তিশালী কৰাৰ বাবে শতাধিক পদক্ষেপ লৈছে বুলি প্রধানমন্ত্রীয়ে উল্লেখ কৰে।

০০০০০০০

আন্তঃৰাষ্ট্রীয় খ্যাতিসম্পন্ন আমেৰিকাৰ বিখ্যাত সাংগীতিক বেণ্ড গান্ছ এণ্ড ৰ'জেছে আজি গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেল পথাৰত সংগীত পৰিৱেশন কৰিব। অসম চৰকাৰৰ কনচার্ট

ট্যুৰিজিম অর্থাৎ পর্যটনকেন্দ্রিক সংগীতানুষ্ঠান বা মনোৰঞ্জনৰ পদক্ষেপৰ অংশ হিচাপে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠান উপভোগ কৰাৰ বাবে ৰাজ্যৰ লগতে দেশৰ বিভিন্ন প্ৰান্তৰ সংগীতপ্ৰেমীৰ গুৱাহাটীলৈ আগমণ হৈছে। ৰাজ্য চৰকাৰৰ পর্য্যটন বিভাগৰ সূত্রই প্রকাশ কৰা মতে, এনে অনুষ্ঠানৰ জৰিয়তে বিভিন্ন পর্যটন ক্ষেত্রসমূহলৈ দেশ-বিদেশৰ বিশিষ্ট ব্যক্তিসকলৰ আগমন ঘটাৰ লগতে সামগ্রিকভাৱে পর্যটন উদ্যোগটো লাভান্বিত হয়।

oooooooo

ডিব্রুগড় জিলাৰ দুলীয়াজানত কালি সন্ধিয়া এটা পৰিয়ালৰ তিনিগৰাকী সদস্যক হত্যা সন্দর্ভত আৰক্ষীয়ে এজন লোকক আটক কৰিছে। ৰাজু দাস নামৰ এজন ভাৰাতীয়াক এই ঘটনাত জড়িত বুলি আৰক্ষীয়ে প্রাৰম্ভিক অনুসন্ধানত সন্দেহ কৰিছিল। আৰক্ষীয়ে লোকজনৰ সন্ধানত অভিযান চলাই ৰে'লেৰে গৈ অৱস্থাত তেওঁক শিলিগুৰিত আটক কৰে। লোকজনৰ সহযোগী অমিত দাসক শিমলুগুৰিত আটক কৰে।

উল্লেখযোগ্য যে ঘটনা সংঘটিত হোৱা বাসগৃহটোত ৰাজু দাস নামৰ লোকজন ভাৰাতীয়া হিচাপে বাস কৰিছিল আৰু ঘটনাৰ দিনাৰে পৰা লোকজন সন্ধানহীন হৈ থকাৰ লগতে তেওঁৰ ফোনত সংযোগ বন্ধ হৈ থকাৰ তথ্য আৰক্ষীয়ে লাভ কৰিছিল। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে কালি সন্ধিয়া দুলীয়াজানৰ কমলাবাৰীৰ দহুকটা গাঁৱৰ বাসিন্দা চন্দ্রকান্ত ভূঞা, তেওঁৰ পত্নী এলিজা ভূঞা আৰু কন্যা নিহাৰিকা ভূঞাক দুর্বৃত্তই নিজ বাসগৃহত হত্যা কৰে। কালি জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক অভিজিৎ দিলীপ গৌৰৱ উপস্থিত হৈ ঘটনাৰ তদন্ত আৰম্ভ কৰাৰ লগতে আটাইকেইগৰাকী লোকৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে দুলীয়াজান অইল হাস্পতালত ৰখা হৈছে।

oooooooo

এন আৰ চিৰ চূড়ান্ত তালিকা পুনৰীক্ষণৰ দাবীত সদৌ অসম ছাত্র সন্থাই দাখিল কৰা এখন আবেদনৰ উচ্চতম ন্যায়ালয়ে আজি শুনানী গ্রহণ কৰে। ন্যায়ালয়ে শুনানী গ্রহণ কৰি কেন্দ্রীয় আৰু অসম চৰকাৰলৈ উত্তৰ বিচাৰি জাননী জাৰি কৰা বুলি সংগঠনটোৰ সভাপতি উৎপল শর্মাই সাংবাদিক আগত প্রকাশ কৰে।

-বাইট(উৎপল শর্মা)-

oooooooo

যুৱ প্রজন্মৰ মাজত নির্বাচনী সজাগতা বৃদ্ধি তথা গণতান্ত্রিক প্রক্রিয়াত যুৱ প্রজন্মৰ অংশগ্রহণ সুনিশ্চিত কৰাৰ উদ্দেশ্যে ভাৰতৰ নির্বাচন আয়োগৰ নির্দেশনা অনুসৰি গোৱালপাৰা জিলা প্রশাসনে জিলাখনৰ বিদ্যালয় আৰু মহাবিদ্যালয়সমূহৰ ছাত্র-ছাত্রীক লৈ তিনিটা পর্য্যায়ত কুইজ আৰু ৰচনা প্রতিযোগিতাৰ আয়োজন কৰে। প্রাথমিক পর্য্যায় আৰু বিধানসভা সমষ্টিৰ পর্য্যায়ত অনুষ্ঠিত হৈ যোৱা পাছত আজি গোৱালপাৰা মহাবিদ্যালয়ত জিলা পর্য্যায়ত ৰচনা আৰু কুইজ প্রতিযোগিতা অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত জগদীশ ব্রহ্ম উপস্থিত থাকি ছাত্র-ছাত্রীসকলক উদ্দেশ্যি বক্তব্য প্রদান কৰে। তেওঁ নির্বাচনী সাক্ষৰতাৰ গুৰুত্ব, ভোটাধিকাৰ আৰু গণতান্ত্রিক ব্যৱস্থাত যুৱ প্রজন্মৰ দায়িত্বশীল ভূমিকা, নির্বাচন প্রক্রিয়া আদি সম্পর্কে ভাষণ প্রসঙ্গত উল্লেখ কৰে। উল্লেখযোগ্য যে, প্রতিযোগিতাসমূহৰ মূল উদ্দেশ্য হৈছে ছাত্র-ছাত্রীসকলৰ মাজত নির্বাচনী প্রক্রিয়া সম্পর্কে সজাগতা বৃদ্ধি কৰা।

oooooooo

শ্রীভূমি জিলাৰ দীনদয়াল উপাধ্যায় আদর্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ জয়শ্রী চক্রৱর্তীয়ে ছিংগাপুৰত মহিলা সৱলীকৰণ বঁটা লাভ কৰি ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছে। ছিংগাপুৰত অনুষ্ঠিত শক্তি আৰু সামগ্রীৰ ডি-কার্বনাইজেচন শীর্ষক এখন গোলকীয় সম্মিলনত গৱেষণা পত্র উপস্থাপন কৰা ড০ চক্রৱর্তীক এই বঁটা প্রদান কৰা হয়।

০০০০০০০

সমাপ্ত